জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৪১/২০২০

## মুখ্যমন্ত্ৰীৰ নিৰ্দেশৰ পিছতে দিছপুৰৰ ১ নং বশিষ্ঠপুৰ বাইলেনৰ অকৰ্তৃত্বশীল বেদখল মুক্ত

### স্থানীয় জনসাধাৰণে ইয়াৰ বাবে ধন্যবাদ জনালে মুখ্যমন্ত্ৰীক

**দিছপুৰ, ৩০ জানুৱাৰী ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ নিৰ্দেশৰ ভিত্তিত প্ৰশাসনে দিছপুৰৰ ১ নং বশিষ্ঠপুৰ বাইলেনৰ অবৈধ বেদখল মুক্ত কৰি পথটো সূচল কৰাৰ বাবে স্থানীয় ৰাইজে মুখ্যমন্ত্ৰীক ধন্যবাদ জ্ঞাপন কৰিছে। এই সম্পৰ্কে অঞ্চলটোৰ ৰাইজে বিশেষ কৃতজ্ঞতা স্বীকাৰ কৰি এখন পত্ৰ মুখ্যমন্ত্ৰীলৈ প্ৰেৰণ কৰিছে।

উল্লেখ্য যে যোৱা ২৩ জানুৱাৰীত দিছপুৰ ১ নং বশিষ্ঠপুৰ বাইলেনৰ ২ নং আৱাস গৃহত সংঘটিত হোৱা বিধ্বংসী অগ্নি কাণ্ডত দুটা নিষ্পাপ শিশু নিহত হ'বলগীয়াৰ দৰে কৰুণ ঘটনা সংঘটিত হৈছিল। এই ঘটনাৰ পিছতে যোৱা ২৪ জানুৱাৰীৰ সন্ধিয়া মুখ্যমন্ত্ৰী সোণোৱালে নিহত কণমানি শিশু দুটিৰ গৃহত উপস্থিত হৈ তেওঁলোকলৈ অশ্ৰুশিক্ত শ্ৰদ্ধাঞ্জলি নিবেদন কৰিছিল। মুখ্যমন্ত্ৰীক সেই সময়ত স্থানীয় জনসাধাৰণে অৱগত কৰিছিল যে বাইলেনটোৰ সন্মুখ ভাগৰ মাটি ভাৰত চৰকাৰৰ প্ৰতিষ্ঠান দূৰ সংযোগ বিভাগে অকৰ্তৃত্বশীলভাবে দখল কৰি আছে আৰু যাৰ ফলত অগ্নিনিৰ্বাপক বাহিনীৰ বাহন সেইদিনাখন সূচলভাবে আহি উপস্থিত হ'ব পৰা নাছিল। স্থানীয় জনসাধাৰণে মুখ্যমন্ত্ৰীক এই কথা অৱগত কৰাৰ পিছতেই মুখ্যমন্ত্ৰীয়ে প্ৰশাসনক এই বেদখল মুক্ত কৰাৰ নিৰ্দেশ দিছিল। এই নিৰ্দেশৰ ভিত্তিতেই অকৰ্তৃত্বশীল বেদখল প্ৰশাসনে তাৎক্ষণিকভাবে মুক্ত কৰি পথটো সূচল কৰি তুলিছে। পথটো সূচল কৰি তোলাৰ বাবে এক পত্ৰযোগে স্থানীয় জনসাধাৰণে মুখ্যমন্ত্ৰীক ভূয়সী প্ৰশংসা কৰিছে।

বঃভাঃ
৩০/০১/২০২০